**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 28-02-2026 **Time :** 1100 Hrs.

0000000000

ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ অধীনত আজি ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ৰ বঁটাসমূহ প্ৰদান কৰা হ'ব। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী দামোদৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত হ'বলগীয়া এই বঁটা প্ৰদান অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। দিনৰ ১২ বজাত হ'বলগীয়া এই অনুষ্ঠানত গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ বিজুলী কলিতা মেধিয়ে অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানত ২০২৫ বৰ্ষত লোকপ্ৰিয় গোপীনাথ বৰদলৈ ৰাষ্ট্ৰীয় সংহতি বঁটা ড° অমলেন্দু চক্ৰৱৰ্তীক প্ৰদান কৰা হ'ব। ২০২৫ বৰ্ষৰ কৃষ্ণকান্ত সন্দিকৈ ৰাষ্ট্ৰীয় বঁটা মনেশ্বৰ দেউৰীলৈ আগবঢ়োৱা হ'ব। একেদৰে ৰাজ্যিক বঁটা শিতানত ২০২৬ বৰ্ষৰ শিল্পী বঁটা লোকগীতৰ শিল্পী ধনদা পাঠকলৈ আগবঢ়োৱা হৈছে। মৰণোত্তৰভাৱে শিল্পী সমৰ হাজৰিকাক ২০২৬ বৰ্ষৰ শিল্পী বঁটা প্ৰদান কৰা হ'ব। ২০২৫ বৰ্ষৰ নটসূৰ্য ফণী শৰ্মা বঁটা কৰুণা ডেকালৈ, ড° ভৱেন্দ্ৰনাথ শইকীয়া বঁটা অৰূপ মান্নালৈ আৰু বিজু ফুকন বঁটা অৰণীৰঞ্জন পাঠকলৈ আগবঢ়োৱা হ'ব।

0000000

শিল্পী জুবিন গাৰ্গলৈ মৰণোত্তৰভাৱে ২০২৬ বৰ্ষৰ ফিল্ম ফেয়াৰ জীৱনজোৰা সাধনা বঁটা আগবঢ়োৱা হৈছে। জুবিন গাৰ্গৰ শেহতীয়া ছবি ৰৈ ৰৈ বিনালেৰ বাবে 'শ্ৰেষ্ঠ নেপথ্য কণ্ঠ শিল্পী' আৰু 'জুৰিৰ বিশেষ বঁটা'কে ধৰি মুঠ তিনিটা বঁটা প্ৰদান কৰা হয়। ফিল্ম ফেয়াৰ, অসমে আগবঢ়োৱা এই বঁটা শিল্পীগৰাকীৰ পিতৃ কপিল ঠাকুৰ আৰু পত্নী  গৰিমা শইকীয়া গাৰ্গে গ্ৰহণ কৰে।

0000000

মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে কালি জুবিন গাৰ্গৰ দুই দেহৰক্ষী পৰেশ বৰা আৰু নন্দেশ্বৰ বৈশ্যৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰে। দুয়োজনৰ বিৰুদ্ধে তদাৰকী কোষে আয়ৰ সৈতে সামঞ্জস্যহীন সম্পত্তিৰ গোচৰ ৰুজু কৰিছে। উল্লেখযোগ্য যে জুবিন গাৰ্গৰ হত্যাৰ গোচৰত অভিযুক্ত এই দুয়োজন দেহৰক্ষী বৰ্তমান কাৰাগাৰত আছে আৰু আদালতে ইতিপূৰ্বে দুয়োজনৰে জামিন আবেদন নাকচ কৰে।

0000000

কাৰ্বিআংলং জিলাৰ স্বপ্নদ্ৰষ্টা প্ৰয়াত চেমচন সিং ইংতিৰ আজি ৭৮ সংখ্যক মৃত্যুবাৰ্ষিকী। এই উপলক্ষে পশ্চিম কাৰ্বি আংলং জিলাৰ হামৰেনৰ শাখা সচিবালয় কক্ষত তেওঁক শ্ৰদ্ধাঞ্জলি জনোৱা হয়। হামৰেনত থকা ইংতিৰ প্ৰতিমূৰ্তিত বিধায়ক ৰূপসিং টেৰনে মাল্যাৰ্পণ কৰি শ্ৰদ্ধাঞ্জলি কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। সৰ্বধৰ্ম প্ৰাৰ্থনাৰে জনোৱা এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত পশ্চিম কাৰ্বি আংলঙৰ ভালেসংখ্যক গণ্য মান্য লোক উপস্থিত থাকে। পূৰ্বৰ সংযুক্ত মিকিৰ পাহাৰ আৰু উত্তৰ কাছাৰ পাৰ্বত্য জিলাৰ স্ৰষ্টা, দূৰদৰ্শী আৰু সততাৰ প্ৰতিমূৰ্তি প্ৰয়াত চেমচন সিং ইংতিয়ে কাৰ্বি জনগোষ্ঠীৰ অধিকাৰ, পৰিচয়, আকাংক্ষা ৰক্ষাৰ বাবে নিজৰ জীৱন উচৰ্গা কৰিছিল। তেওঁৰ

জীৱন আৰু কৰ্মই প্ৰজন্মৰ পাছত প্ৰজন্মক অনুপ্ৰেৰণা যোগাই থাকিব বুলি বিধায়ক ৰূপসিং টেৰনে প্ৰকাশ কৰে।

০০০০০০০

জাপানৰ বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী ইয়াঅ' হ'ৰি আৰু জাপানত থকা ভাৰত ৰাষ্ট্ৰদূত কেইচী অ'নোৱে কালি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক গুৱাহাটীত সাক্ষাৎ কৰে। এই সাক্ষাৎ কালত অসমক বিনিয়োগৰ আৰ্কষণীয় স্থান হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে নীতি-সহায়, সংযোগ আদিৰ বিষয়ে আলোচনা কৰা হয়।

০০০০

লখিমপুৰ জিলাৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকালয়ৰ অধীনত কালি জিলা পৰ্যায়ৰ প্ৰসূতিৰ মৃত্যু পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। জিলাখনৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকালয়ৰ সভাকক্ষত আয়োজিত এই বৈঠকত জ্যেষ্ঠ স্বাস্থ্য বিষয়া, জিলা নডেল বিষয়া, জিলা প্ৰকল্প বিষয়া আদিৰ লগতে স্বাস্থ্য বিভাগৰ ভালেসংখ্যক বিষয়া, চিকিৎসক, স্বাস্থ্যকৰ্মী আদি উপস্থিত থাকে। বৈঠকত প্ৰসূতিৰ মৃত্যু সন্দৰ্ভত পৰ্যালোচনা কৰাৰ লগতে প্ৰসূতিৰ স্বাস্থ্য উন্নীত কৰাৰ ক্ষেত্ৰত বিভিন্ন বিভাগৰ সমন্বিত প্ৰচেষ্টাত গুৰুত্ব আৰোপ কৰা হয়।

০০০০০০০

———বিশ্বনাথ জিলাৰ অন্তৰ্গত গহপুৰৰ কলিতা গাঁৱত আজিৰেপৰা বাঁহৰ সামগ্ৰী প্ৰস্তুতৰ প্ৰশিক্ষণ দিয়া হৈছে। দিল্লীৰ সামাজিক অনুষ্ঠান সূৰ্য ফাউণ্ডেচনৰ উদ্যোগত আৰম্ভ হোৱা এই প্ৰশিক্ষণ কাৰ্যসূচী বিধায়ক উৎপল বৰাই মুকলি কৰে। দেশৰ প্ৰায় ৩৮০ খন গাঁৱৰ বিকাশৰ বাবে কাম কৰি থকা সূৰ্য ফাউণ্ডেচনে গহপুৰত বাঁহৰ বিভিন্ন সামগ্ৰী যেনে – আ-অলংকাৰ, উপহাৰ সামগ্ৰী আদি প্ৰস্তুতৰ জৰিয়তে উপাৰ্জনমুখী হ'বলৈ যুৱক-যুৱতীসকলক প্ৰশিক্ষণ দিয়া হৈছে।

০০০০০০০

ডিব্ৰুগড় জিলাৰ চাবুৱাৰ কাজিখোৱা ৰাষ্ট্ৰীয় ঘাইপথত কালি নিশা সংঘটিত এটা পথ দুৰ্ঘটনাত দুজন লোকৰ থিতাতে মৃত্যু হয়। ট্ৰাক আৰু এখন অটোৰ মাজত হোৱা মুখামুখি সংঘৰ্ষৰ ফলত এই দুৰ্ঘটনাটো সংঘটিত হয়। নিহত লোকদুজন চাবুৱা নপাম গাঁৱৰ চাজন ফুকন আৰু ৰাহুল শইকীয়া বুলি স্থানীয় ৰাইজে প্ৰকাশ কৰিছে। দুৰ্ঘটনা সন্দৰ্ভত আৰক্ষীয়ে তদন্ত চলাই আছে আৰু মৃতদেহ দুটা মৰণোত্তৰ পৰীক্ষাৰ বাবে চিকিৎসালয়লৈ প্ৰেৰণ কৰা হৈছে।

০০০০০০০

ঢকুৱাখানা নিবাসী দ্বীপেন শইকীয়াৰ কালি ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ত মৃত্যু হয়। দীৰ্ঘদিন ধৰি বৃক্ক জনিত ৰোগত আক্ৰান্ত হৈ থকা ব্যক্তিগৰাকীৰ মৃত্যুৰ সময়ত বয়স আছিল ৫০ বছৰ।

০০০০০০

বিজনী মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক মনোৰঞ্জন শৰ্মাই কালি সন্ধিয়া চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭১ বছৰ।

০০০০০০

**সমাপ্ত**